**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 18-08-2025 **Time :** 0900 Hrs.

**Assamese Morning Bulletin**
**Headlines**

১। উৰিয়ামঘাটত আজিৰেপৰা দ্বিতীয় পৰ্যায়ৰ উচ্ছেদৰ বাবে প্ৰশাসন-বন বিভাগৰ তৎপৰতা। বিশ্বনাথতো উচ্ছেদ অভিযান অব্যাহত।

২। উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে এন ডি এৰ প্ৰাৰ্থী হিচাপে মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনক মনোনীত।

৩। দীপৰ বিল সংৰক্ষণৰ বাবে পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ খচৰা অধিসূচনা জাৰি।

৪। ভাদ মাহৰ পহিলা দিনটোত ভক্তিৰসত বিধৌত ৰাজ্যৰ সত্ৰ -নামঘৰ।

*আৰু*

৫। ইষ্ট বেংগলৰ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ।

oooooooo

উৰিয়ামঘাটত প্ৰশাসন আৰু বন বিভাগে প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযানৰ সামৰণি পেলোৱাৰ পাছত আজিৰ পৰা সীমান্তৰ ৰেংমা বনাঞ্চলৰ পাঁচখন গাঁৱত দ্বিতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান আৰম্ভ কৰিব। দিনৰ ১০ বজাৰ পৰা ৰাণা নগৰ, হাতীডুবি, হালধিবাৰী, দুৰ্গাপুৰ আৰু ১ নম্বৰ মধুপুৰ গাঁৱত আজি প্ৰশাসনে দ্বিতীয় পৰ্যায়ত উচ্ছেদ অভিযান চলাব। এই গাঁও কেইখনৰ ৫৭ টা পৰিয়ালে উচ্ছেদৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন কৰাত ন্যায়ালয়ে আজি পৰ্যন্ত তেওঁলোকক সাময়িকভাৱে সকাহ দিছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ে বিষয়টো সন্দৰ্ভত আজি পুনৰ শুনানি গ্ৰহণ কৰিব। দ্বিতীয় পৰ্যায়ৰ উচ্ছেদৰ সময়ত আজি যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে প্ৰশাসনে সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰাৰ লক্ষ্যৰে উৰিয়ামঘাটত চলোৱা প্ৰথম পৰ্যায়ৰ অভিযানত ৪ হাজাৰ টা সাধাৰণ বাসগৃহৰ লগতে ৪০০ টা দুমহলীয়া অট্টালিকা উচ্ছেদ কৰা হৈছিল।

উৰিয়ামঘাটত দ্বিতীয় পৰ্যায়ত আজি আৰম্ভ হ'বলগীয়া উচ্ছেদ অভিযান সন্দৰ্ভত আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে জনাইছে –

*বাইট*

কালি বন বিভাগে পিঠাঘাট অঞ্চলৰ প্ৰায় ৩০০ বিঘা মাটি দখল কৰি তামোল বাৰী স্থাপন কৰা হাৰেশ আলী নামৰ লোকজনৰ তামোল বাৰী কাটি তহিলং কৰে। পিঠাঘাট অঞ্চলত চৰকাৰে বৃহৎ গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰিছে। এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিঅ' ৰিঅ'ৰেও অংশগ্ৰহণ কৰাৰ কথা।

ইপিনে, বিশ্বনাথ জিলা প্ৰশাসনে ভূমিৰ চৰকাৰী জৰীপ নোহোৱা জাপৰিগুৰিৰ ১৭৫ বিঘা ভূমিত কালি উচ্ছেদ চলায়। প্ৰথম দিনাৰ উচ্ছেদ অভিযানৰ সামৰণি পেলোৱাৰ পাছত আজি পুৱাৰে পৰা প্ৰশাসনে অঞ্চলটোত পুনৰ উচ্ছেদ চলাইছে। উল্লেখযোগ্য যে যোৱা ২ আগষ্টত অঞ্চলটোৰ ৩০৯টা পৰিয়াললৈ উচ্ছেদৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ নিৰ্দেশ দিয়া হৈছিল। কালি উচ্ছেদ অভিযানত ২০ খন বুলড'জাৰ, ১০ খন ট্ৰেক্টৰ আৰু ২০ খন সৰু-বৰ বাহন ব্যৱহাৰ কৰা হয়। যিকোনো অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ

বাবে অঞ্চলটোত আৰক্ষী-নিৰাপত্তাৰক্ষী নিয়োগ কৰা হয়। উচ্ছেদ অভিযানৰ বাবে অঞ্চলটো চাৰিটা মণ্ডলত ভাগ কৰা হৈছে। দুটা মণ্ডলত একোজনকৈ অতিৰিক্ত আয়ুক্তক নিয়োগ কৰা হৈছে। তদুপৰি ছজনকৈ কাৰ্যবাহী দণ্ডাধীশো নিয়োগ কৰা হৈছে। উচ্ছেদ অভিযানৰ সময়ত যাতে কোনো আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে অঞ্চলটোত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰা বলৱৎ কৰা হয়।

oooooooo

মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনক সমাগত উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে এন ডি এৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰা হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কালি নতুন দিল্লীৰ বিজেপি মুখ্য কাৰ্যালয়ত দলৰ সংসদীয় পৰিষদৰ বৈঠকৰ অন্তত সাংবাদিকৰ আগত এই কথা ঘোষণা কৰে। তেওঁ কয়, যে এন ডি এৰ সকলো লোকে এই সিদ্ধান্তৰ সমৰ্থন কৰিছে। শ্ৰীনাড্ডাই লগতে কয়, যে উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে বিজেপিয়ে সকলো দলৰ সৈতে সমন্বয় ৰক্ষাৰ প্ৰয়াস কৰিছে। বিগত সপ্তাহত এন ডি এৰ সহযোগী দল আৰু বিৰোধী পক্ষৰ দলসমূহৰ সৈতে এই সন্দৰ্ভত যোগাযোগ কৰা হৈছিল বুলি শ্ৰীনাড্ডাই উল্লেখ কৰে।

কালিৰ বৈঠকত সংসদীয় সমিতিৰ অন্যান সদস্যসকলৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং উপস্থিত থাকে। উপ-ৰাষ্ট্ৰপতি নিৰ্বাচন অহা ৯ ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চি পি ৰাধাকৃষ্ণনক উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰাৰ এন ডি এৰ সিদ্ধান্তক আদৰণি জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে শ্ৰীৰাধাকৃষ্ণনে তেওঁৰ দীৰ্ঘদিনীয়া ৰাজহুৱা সেৱাত সমৰ্পণ, বিনম্ৰতা আৰু বুদ্ধিমত্তাৰ জৰিয়তে নিজৰ এটা বিশেষ পৰিচয় গঢ়ি তুলিছে। তামিলনাডুত তৃণমূল পৰ্যায়ত বহু কাম কৰাৰ উপৰি সাংসদ আৰু বিভিন্ন ৰাজ্যৰ ৰাজ্যপাল হিচাপে শ্ৰীৰাধাকৃষ্ণনৰ বহু অভিজ্ঞতা আছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ লগতে শ্ৰীৰাধাকৃষ্ণন এগৰাকী প্ৰেৰণাদায়ক উপ-ৰাষ্ট্ৰপতি হ'ব পাৰিব বুলি বিশ্বাস ব্যক্ত কৰে।

oooooooo

অসমৰ একমাত্ৰ ৰামছৰ ক্ষেত্ৰ দীপৰ বিল সংৰক্ষণৰ বাবে পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে খচৰা অধিসূচনা জাৰি কৰিছে। এই অধিসূচনা অনুসৰি দীপৰ বিলৰ চাৰিসীমা পুনৰ নিৰ্ধাৰণ কৰাৰ লগতে চৌপাশৰ এলেকাক পৰিৱেশ স্পৰ্শকাতৰ অঞ্চল হিচাপে চিনাক্ত কৰা হৈছে। এই অঞ্চলসমূহৰ ভিতৰত বিলখনৰ কাষৰীয়া চাৰিখন গাঁও কলিতাপাৰা, মিকিৰাপাৰা-চকৰ্দো, মাটিয়া আৰু আজাৰা অন্তৰ্ভুক্ত হৈছে। ইয়াৰ জৰিয়তে এই অঞ্চলসমূহত উদ্যোগীকৰণ, বাণিজ্যিক নিৰ্মাণ কাৰ্য আৰু অন্যান্য পৰিৱেশ ধবংসকাৰী কাৰ্যকলাপত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। দীপৰ বিল সংৰক্ষণৰ বাবে খচৰা অধিসূচনা প্ৰকাশ কৰা বিষয়সমূহ নিশ্চিত কৰিবলৈ গুৱাহাটী মহানগৰৰ জিলা আয়ুক্তক অধ্যক্ষ হিচাপে লৈ এখন ১২ জনীয়া নিৰীক্ষণ সমিতি গঠন কৰা হ'ব। উল্লেখযোগ্য যে, এই খচৰা অধিসূচনা সন্দৰ্ভত কোনো পক্ষৰ আপত্তি বা পৰামৰ্শ থাকিলে সেয়া অহা দুমাহৰ ভিতৰত পৰিৱেশ আৰু বন মন্ত্ৰালয়ক অৱগত কৰিবলৈ আহ্বান জনোৱা হৈছে।

oooooooo

অসমীয়া সমাজত পবিত্ৰ মাহ হিচাপে পৰিগণিত ভাদ মাহৰ আৰম্ভণি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ আৰু নামঘৰসমূহ ভকত-বৈষ্ণৱ আৰু আয়তীসকলৰ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰিছে। ভাদ মাহক কেন্দ্ৰ কৰি ৰাজ্যজুৰি সৃষ্টি হোৱা আধ্যাত্মিক পৰিৱেশে অসমৰ সাতামপুৰুষীয়া সম্প্ৰীতিৰ বান্ধোন অধিক শক্তিশালী কৰি তোলে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ পূণ্য তিথি আৰু শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ এই মাহটোক অসমবাসীয়ে অত্যন্ত পবিত্ৰ বুলি গণ্য কৰে। গোটেই মাহজুৰি ৰাজ্যৰ সত্ৰ আৰু নামঘৰসমূহ নাম প্ৰসংগ অনুষ্ঠিত হয়। সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলীৰ সত্ৰ নামঘৰসমূহত কালি সংক্ৰান্তিৰ দিনা ঊষা-কীৰ্তন, খোল-প্ৰসংগ, বৰগীত, গুণমালা-

কীৰ্তন আৰু হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে। জিলাখনৰ ৩৩ খন সত্ৰ আৰু প্ৰায় তিনি শতাধিক নামঘৰত কালিৰে পৰা মাহজোৰা নামকীৰ্তনৰ আয়োজন কৰা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বটদ্ৰৱা থানত ভাদ মাহ উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। নগাঁও জিলাত ভাদ মাহৰ পৰিৱেশ সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া–

*(বাইট ঃ মুনীন্দ্ৰ শইকীয়া)*

যোৰহাট জিলাৰ টীয়কৰ ঐতিহাসিক শ্ৰীশ্ৰীমাধৱদেৱ প্ৰতিষ্ঠিত ঢেকীয়াখোৱা নামঘৰত কালি সন্ধিয়াৰে পৰা পৱিত্ৰ ভাদ মাহত চাৰি প্ৰসংগীয়া পাল নাম অনুষ্ঠিত হৈছে। ভাদ মাহ উপলক্ষে ঢেকীয়াখোৱা নামঘৰত অগণন ভক্তক আদৰিবৰ বাবে নামঘৰ পৰিচালনা সমিতি সাজু হৈ উঠিছে। তদুপৰি ভক্তসকলৰ সুবিধাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষীৰ লগতে স্বেচ্ছাসেৱীসকলে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰীৰ নামঘৰ সমূহতো আই মাতৃসকলে ভাদ মাহৰ নাম পৰিৱেশনৰ বাবে সাজু হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

oooooooo

স্বাধীনতা সংগ্ৰামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত আজি **ব্ৰজনাথ - বিপ্লৱী অগ্নিবীৰ** শীৰ্ষক নাটখন মঞ্চস্থ কৰা হ'ব। ছিপাঝাৰৰ চৰ্চা নাট্য গোষ্ঠীয়ে পৰিৱেশন কৰিবলগীয়া এই নাটখনৰ নাট্যকাৰ উৎপল দত্ত। অসীম কুমাৰ নাথে পৰিচালনা কৰিবলগীয়া নাটখনৰ সন্ধিয়া ৫ বজা আৰু চাৰে সাত বজাত দুটাকৈ দৰ্শনী আগবঢ়োৱা হ'ব।

কালি এই নাট মেলাত **মাংৰী মেম - সেউজী অগ্নিকন্যা** শীৰ্ষক নাটখন মঞ্চস্থ কৰা হয়। ডুলিয়াজানৰ পথাৰ নাট্যগোষ্ঠীয়ে এই নাটখন পৰিৱেশন কৰে। উল্লেখযোগ্য যে যোৱা ১৫ আগষ্টৰ পৰা অনুষ্ঠিত এই নাটমেলা অহা ২১ আগষ্টত সামৰণি পৰিব।

oooooooo

কামৰূপ জিলাৰ বকোৰ বামুণীগাঁও ৰে'ল ষ্টেচনৰ সমীপত আজি পুৱা এখন যাত্ৰীবাহী ৰে'লৰ খুন্দাত তিনিগৰাকী মহিলা নিহত হয়। প্ৰাতঃভ্ৰমণলৈ যোৱাৰ সময়তে বামুণীগাঁও ৰে'ল ষ্টেচনৰ এন এন ২৪০ গে'টৰ সমীপত এই শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হয়। ৰে'লৰ খুন্দাত নিহত মহিলা তিনিগৰাকীক বকোৰ দুই নম্বৰ ছটাবাৰীৰ উত্তৰা দাস, ৰুমী দাস আৰু কৰবী মালী বুলি চিনাক্ত কৰা হয়। একে সময়তে দুখন ৰে'লে অতিক্ৰম কৰাত উজনিমুৱা পুৰী এক্সপ্ৰেছে মহিলাকেইগৰাকীক মহতিয়াই নিয়ে। ইতিমধ্যে ঘটনাস্থলীত আৰক্ষীৰ দল উপস্থিত হৈ মহিলাকেইগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰিছে।

oooooooo

বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যে শাসক-বিৰোধী সকলো দলেই নিজৰ দলীয় ভেটি শক্তিশালী কৰাৰ বাবে বিভিন্ন স্থানত সভা অনুষ্ঠিত কৰি আহিছে। কালি বিজনীত বিজনী জিলা বিপিএফৰ উদ্যোগত আশীৰ্বাদ যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে উলিওৱা সমদলত বিজনী বিধানসভা সমষ্টিৰ অন্তৰ্গত সবাইঝাৰ, মানাস চেৰফাং আৰু থুৰিবাৰী ব্লক বি পি এফৰ কেইবাহাজাৰ সমৰ্থকে অংশগ্ৰহণ কৰে। সবাইঝাৰ ব্লক বি পি এফৰ কাৰ্যালয়ৰ পৰা আৰম্ভ কৰা আশীৰ্বাদ যাত্ৰা সমদলটোৰ বিজনী জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰত সামৰণি মৰা হয়। ইয়াৰ পাছত এখন সভাৰ আয়োজন কৰা হয়। এই সভাত উপস্থিত থাকি বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে এইবাৰ বি টি চিত বি পি এফে চৰকাৰ গঠন কৰিব বুলি দাবী কৰে।

ইপিনে, বাক্সা জিলাৰ শালবাৰী পৰিষদীয় সমষ্টিৰ ছলিকান্দাত কংগ্ৰেছৰ এখন সভা অনুষ্ঠিত হয়। এই সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে অংশগ্ৰহণ কৰে। সভাৰ অন্তত সভাপতি শ্ৰী গগৈয়ে অসমত এইবাৰ কংগ্ৰেছে অকলে নিৰ্বাচন নেখেলাটো খাটাং বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰিছে।

০০০০০০০০

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত কালি ইষ্ট বেংগলে মোহন বাগান ছুপাৰ জায়েণ্টেক ২-১ৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে জামছেদপুৰৰ জে আৰ ডি টাটা স্পৰ্টছ কমপ্লেক্সত অনুষ্ঠিত আন এখন কোৱাৰ্টাৰ ফাইনেলত ডায়মণ্ড হাৰ্বাৰ এফ চিয়ে জামছেদপুৰ এফ চিক ২-০ৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে।

উল্লেখযোগ্য যে মোহন বাগানে অষ্টাদশবাৰৰ বাবে ডুৰাণ্ড কাপৰ খিতাপ জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হোৱাৰ বিপৰীতে ইষ্ট বেংগলে নিজৰ সপ্তদশ খিতাপৰ বাবে অৱতীৰ্ণ হ’ব।

০০০০০০০০

News paper REV.

**বিশ্বনাথৰ উচ্ছেদ অভিযান আৰু কালি পুৱতি নিশা ৰাজ্যৰ ঠায়ে ঠায়ে হোৱা প্ৰচণ্ড ধুমুহা বৰষুণত হোৱা ক্ষয়-ক্ষতিৰ বাতৰি আজি আটাইবোৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মাৰ্কিন শুল্কৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ' ভোকেল ফৰ লোকেল' মেড ইন ইণ্ডিয়া আদিত গুৰুত্ব প্ৰদান কৰি ব্যৱসায়ীসকলক দেশত নিৰ্মিত সামগ্ৰী বিক্ৰীৰ বাবে আহ্বান জনাইছে। আছুৰ আহ্বানত কালি অনুষ্ঠিত শিক্ষক সংগঠনৰ বিশেষ সভাত চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত অৱসৰপ্ৰাপ্ত শিক্ষক নিযুক্তিৰ বিৰোধিতা কৰাৰ এটা বাতৰি দৈনিক অসম কাকতে প্ৰকাশ কৰিছে।এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতেও প্ৰকাশ কৰিছে। ভোট চুৰি সন্দৰ্ভত কৰা ৰাহুল গান্ধীৰ অভিযোগৰ প্ৰত্যুত্তৰত নিৰ্বাচন আয়োগে বিৰোধী দলৰ নেতাগৰাকীক শপতনাম দাখিল অথবা ৭দিনৰ ভিতৰত ক্ষমা ভিক্ষা কৰিবলৈ নিৰ্দেশ দিয়ে। এই একেটা বাতৰি অসমীয়া খবৰ কাকতেও প্ৰকাশ কৰিছে। দৈনিক জনমভূমি কাকতে আন্তঃৰাষ্ট্ৰীয় মহাকাশ অভিযানৰ নায়ক শুভাংশু শুক্লাক ভাৰতলৈ অহাৰ সময়তে ৰাজনীতিককে ধৰি বিভিন্ন স্তৰৰ ভাৰতীয় নাগৰিকে জনোৱা শুভেচ্ছাৰে বাতৰি প্ৰকাশ কৰিছে। ১৬ দিনীয়া ভোটদাতা অধিকাৰ যাত্ৰাত অংশগ্ৰহণ কৰি ৰাহুল গান্ধীয়ে বিহাৰত ভোট চুৰি হ'বলৈ দিয়া নহ'ব বুলি ঘোষণা কৰিছে। এই বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে। ৰাজ্যত ৩ লাখ ৩২হাজাৰ ২৬১ বিঘা ভূমি দখলকাৰীৰ কবলত আছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ।বাতৰিটো দ্যা চেণ্টিনেল কাকতৰ।**

০০০০০০০০

ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত আজিৰপৰা গুৱাহাটী আৰু সোণাপুৰত পিলিক চৌধুৰী সোঁৱৰণী ১৫ বছৰ অনুৰ্ধ ল’ৰাৰ আন্তঃজিলা বিদ্যালয় ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। ৰাজ্যৰ মুঠ ৩৫ খন জিলাৰ দল তথা প্ৰায় ৭০০ খেলুৱৈ আৰু বিষয়াই প্ৰতিযোগিতাখনত যোগদান কৰিছে। প্ৰতিযোগিতাৰ খেলসমূহ

গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ নেহৰু ষ্টেডিয়ামৰ দুখনকৈ খেলপথাৰৰ লগতে সোণাপুৰৰ তেপেচীয়াত থকা এল এন আই পি ইৰ ফুটবলৰ গ্ৰাউণ্ডত হ'ব। গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত আজি বিয়লি ৩ বজাত প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। নকআউট পদ্ধতিৰে হ'বলগীয়া প্ৰতিযোগিতাখনত মুঠ ৩৪ খন খেল অনুষ্ঠিত হ'ব। আজি তিনিওখন খেলপথাৰতে মুঠ ১৫ খেল হ'ব। কাইলৈ দ্বিতীয় ৰাউণ্ড আৰু কোৱাৰ্টাৰ ফাইনেলসহ মুঠ ১২ খন খেল অনুষ্ঠিত হ'ব। ২০ আগষ্টত ছেমি ফাইনেলসহ ছখন খেল আৰু ২১ আগষ্টত নেহৰু ষ্টেডিয়ামত ফাইনেল খেলখন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে এই ৰাজ্যিক প্ৰতিযোগিতাৰ চেম্পিয়ন দলটোৱে বেংগালুৰুত হ'বলগীয়া সুব্ৰত কাপ ফুটবল ১৫ বছৰ অনুৰ্দ্ধ প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰিব।

00000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনীৰে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

00000000

**সমাপ্ত**